**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ভাৰত আৰু ছিংগাপুৰে স্বাস্থ্য আৰু ঔষধ, শিক্ষা আৰু দক্ষতা বিকাশ, ডিজিটেল প্ৰযুক্তি আৰু অৰ্ধপৰিবাহীৰ অৰ্থ ব্যৱস্থাৰ সহযোগিতা সন্দৰ্ভত চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

২। ছিংগাপুৰ ভ্ৰমণৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিংগাপুৰক কেৱল এখন সহযোগী দেশেই নহয়, বৰঞ্চ উন্নয়নশীল দেশসমূহৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলিও আখ্যা দিছে।

৩। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতত বিগত ১০ বছৰত সৌৰ শক্তি উৎপাদনৰ পৰিমাণ ৩২ শতাংশ বৃদ্ধি হৈছে বুলি উল্লেখ কৰি কয় যে দেশে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট শক্তি আহৰণ কৰিব পাৰিব।

৪। অসম মন্ত্ৰীসভাই অসম চুক্তিৰ ছয় নম্বৰ দফা কাৰ্যকৰী কৰা সন্দৰ্ভত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলীৰ ৮০ শতাংশ ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

আৰু

৫। দেশৰ আন বিভিন্ন অংশৰ লগতে অসমতো আজি শিক্ষক দিৱস পালন কৰা হৈছে।

ooooooo

ভাৰত আৰু ছিংগাপুৰে স্বাস্থ্য আৰু ঔষধ, শিক্ষা আৰু দক্ষতা বিকাশ, ডিজিটেল প্ৰযুক্তি আৰু অৰ্ধপৰিবাহীৰ অৰ্থ ব্যৱস্থাৰ সহযোগিতা সন্দৰ্ভত চাৰিখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। দুয়োখন দেশে সংহত কৌশলগত সহযোগিতাক অধিক ত্বৰান্বিত কৰাৰ হকে সন্মতি প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ভাৰতৰ এক্ট ইষ্ট নীতিয়ে গুৰুত্বপূৰ্ণ প্ৰসাৰ লাভ কৰিব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেন্স ৱঙৰ মাজত আজি অনুষ্ঠিত প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ পাছত এই সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ছিংগাপুৰত অনুষ্ঠিত এই আলোচনাৰ সময়ত দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজৰ দ্বি-পাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰে।

পাৰস্পৰিক অৰ্থনৈতিক সম্পৰ্কৰ উন্নতিৰ বিষয়টোৰ বুজ লৈ উভয় পক্ষই দেশ দুখনৰ মাজত বাণিজ্য আৰু বিনিয়োগৰ বিষয়টোক অধিক সম্প্ৰসাৰিত কৰাৰ হকেও মত পোষণ কৰে। আলোচনাকালত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতীয় অৰ্থনীতিত প্ৰায় ১৬০ বিলিয়ন মাৰ্কিন ডলাৰ বিনিয়োগেৰে অৰ্থনৈতিক দিশৰ পৰা ছিংগাপুৰ এখন আগশাৰীৰ সহযোগী দেশ হিচাপে পৰিগণিত হৈ আহিছে বুলি উল্লেখ কৰে। একেদৰে ভাৰতীয় অৰ্থনীতিৰ দ্ৰুত তথা সুস্থিৰ বিকাশে ছিংগাপুৰৰ বিভিন্ন প্ৰতিষ্ঠানৰ বাবে বিনিয়োগৰ বৃহৎ সুযোগৰ সৃষ্টি কৰা বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে।

দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে প্ৰতিৰক্ষা আৰু নিৰাপত্তা সামুদ্ৰিক পথৰ ব্যৱহাৰৰ ক্ষেত্ৰত সতৰ্কতা, শিক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, ফিণ্টেক্, বিজ্ঞান আৰু প্ৰযুক্তি আদি ক্ষেত্ৰসমূহৰ পাৰস্পৰিক সহযোগিতাৰ দিশটোও পৰ্যালোচনা কৰে। দেশ দুখনৰ মাজৰ অৰ্থনৈতিক সহযোগিতা বৃদ্ধিৰ লগতে জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সহযোগিতাৰ প্ৰসাৰৰ উদ্দেশ্যে যোগাযোগ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ বিষয়তো নেতা দুগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। আনহাতে সেউজ কৰিড'ৰ প্ৰকল্পৰ প্ৰসাৰ বৃদ্ধিৰ বিষয়ত গুৰুত্ব আৰোপ কৰাৰ লগতে নেতা দুগৰাকীয়ে যোৱা মাহত ছিংগাপুৰত অনুষ্ঠিত ভাৰত-ছিংগাপুৰৰ মাজৰ মন্ত্ৰী পৰ্যায়ৰ দ্বিতীয়খন ঘূৰণীয়া মেজমেলৰ ফলাফলসমূহৰ বিষয়েও আলোচনা কৰে। তদুপৰি তেওঁলোকে অহা বছৰ হ'বলগীয়া উভয় দেশৰ দ্বি-পাক্ষিক সম্পৰ্কৰ ৬০ সংখ্যক বাৰ্ষিকীৰ বিষয়ে আলোচনা কৰাৰ লগতে ভাৰত আৰু আছিয়ান ৰাষ্ট্ৰগোষ্ঠীৰ মাজৰ সম্পৰ্ক আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চল সন্দৰ্ভত ভাৰত-বৰ্ষৰ দৃষ্টিভংগীৰ

লেখীয়া পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহক লৈয়ে মত বিনিময় কৰে। আনহাতে, নিজৰ মন্তব্যত প্ৰধানমন্ত্ৰী মোদীয়ে, ছিংগাপুৰক কেৱল এখন সহযোগী দেশেই নহয়, বৰঞ্চ উন্নয়নশীল দেশসমূহৰ বাবে অনুপ্ৰেৰণাৰ উৎস বুলিও অভিহিত কৰে। আনহাতে, দেশখনত বসবাস কৰা ভাৰতীয় মূলৰ চাৰে ৩ লাখ লোক উভয় দেশৰ মাজৰ সম্পৰ্কৰ শক্তিশালী বুনিয়াদ বুলিও তেওঁ উল্লেখ কৰে।

আজিৰ বৈঠকৰ পাছত দুয়োগৰাকী নেতাই ছিংগাপুৰৰ অৰ্ধপৰিবাহী আৰু বৈদ্যুতিন খণ্ডৰ আগশাৰীৰ প্ৰতিষ্ঠান এ ই এম হ’ল্ডিংছ অৰ্ধপৰিবাহী উৎপাদন গোটৰ উৎপাদনস্থলী পৰিদৰ্শন কৰি ছেমি কণ্ডাক্টৰৰ গোলকীয় খণ্ডত প্ৰতিষ্ঠানটোৰ ভূমিকা তথা ভাৰতবৰ্ষত ইয়াৰ কাম-কাজৰ পৰিকল্পনা সন্দৰ্ভত বুজ লয়। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে চলিত মাহত বৃহত্তৰ নয়দাত আয়োজিত ‘ছেমিকন ইণ্ডিয়া’ শীৰ্ষক প্ৰদৰ্শনীত অংশগ্ৰহণৰ বাবে ছিংগাপুৰৰ অৰ্ধপৰিবাহী খণ্ডৰ প্ৰতিষ্ঠানসমূহক আমন্ত্ৰণ জনায়। আনহাতে, ছিংগাপুৰৰ  এ ই এম হল্ডিংছ অৰ্ধপৰিবাহী উৎপাদন গোটত প্ৰশিক্ষাৰ্থী হিচাপে কৰ্মৰত ওড়িশাৰ দক্ষতা কেন্দ্ৰৰ প্ৰশিক্ষাৰ্থীসকলৰ লগতে পূৰ্বে ভাৰতলৈ অহা ছিংগাপুৰৰ প্ৰশিক্ষাৰ্থীসকলৰ লগতো তেওঁ মত বিনিময় কৰে।

ইয়াৰ পূৰ্বে ব্ৰুনেইৰ সফল ভ্ৰমণ সামৰি কালি বিয়লি শ্ৰীমোদী ছিংগাপুৰৰ লায়ন চহৰত উপস্থিত হয়। ছিংগাপুৰৰ প্ৰধানমন্ত্ৰীয়ে শ্ৰীমোদীৰ সন্মানাৰ্থে ব্যক্তিগত নৈশ ভোজৰ আয়োজন কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে শ্ৰীৱঙৰ সৈতে বিভিন্ন বিষয় লৈ গুৰুত্বপূৰ্ণ আলোচনা হোৱা বুলি প্ৰকাশ কৰিছে। তেওঁ কয় যে, ভাৰতে ছিংগাপুৰৰ সৈতে থকা বন্ধুত্বপূৰ্ণ সম্পৰ্কত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। প্ৰধানমন্ত্ৰী মোদী আজি ছিংগাপুৰৰ ৰাষ্ট্ৰপতি আৰু অন্য গণ্য মান্য ব্যক্তিৰ সৈতে বৈঠকত মিলিত হ’ব।

০০০০০০০০০

ভাৰতত বিগত ১০ বছৰত সৌৰ শক্তি উৎপাদনৰ পৰিমাণ ৩২ শতাংশ বৃদ্ধি হৈছে আৰু দেশে এই গতি আৰু সাফল্যৰে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট শক্তি আহৰণ কৰিবলৈ সমৰ্থ হ’ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত প্ৰথম আন্তঃৰাষ্ট্ৰীয় সৌৰ উৎসৱত ভিডিঅ’ কনফাৰেঞ্চিং ব্যৱস্থাৰে অংশ লৈ এইকথা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে ভাৰতে বিগত কেইটামান বছৰত সেউজ শক্তি আহৰণৰ ক্ষেত্ৰত উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে আৰু জি-টুৱেণ্টী ৰাষ্ট্ৰৰ ভিতৰত পুনৰ নৱীকৰণযোগ্য শক্তি আহৰণৰ পেৰিছ প্ৰতিশ্ৰুতিৰ সাফল্য অৰ্জন কৰা প্ৰথম দেশ হিচাপে পৰিগণিত হৈছে।

০০০০০০০০০

অসম মন্ত্ৰীসভাই ৰাজ্যখনৰ ভূমি, থলুৱা জনগোষ্ঠীসমূহৰ ভাষা আৰু সংস্কৃতি ৰক্ষাৰ বাবে অসম চুক্তিৰ ছয় নম্বৰ দফা কাৰ্যকৰী কৰা সন্দৰ্ভত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলীৰ ৮০ শতাংশ ৰূপায়ণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমক জানিবলৈ দিয়া অনুসৰি বিপ্লৱ শৰ্মা আয়োগে আগবঢ়োৱা ৬৭ টা পৰামৰ্শৰ ভিতৰত ৫৭ টা পৰামৰ্শ অহা বছৰৰ ১৫ এপ্ৰিলৰ ভিতৰত ৰূপায়ণ কৰা হ’ব। ইফালে, কেবিনেটৰ আন এটা সিদ্ধান্ত অনুসৰি কৰ্তব্যৰত অৱস্থাত মৃত্যু অথবা সম্পূৰ্ণৰূপে বিকলাংগ হোৱা ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ বাবে ১ কোটি টকাৰ বীমা আৰু দুৰ্ঘটনাৰ ফলত আংশিকভাৱে ঘূণীয়া হোৱা কৰ্মচাৰীৰ বাবে ৮০ লাখ টকাৰ বীমাৰ ব্যৱস্থা কৰা হ’ব। কেবিনেটে লগতে ২০ লাখ নতুন ৰেচন কাৰ্ড প্ৰদান কৰাতো অনুমোদন জনায়।

০০০০০০০০০

দেশৰ আন বিভিন্ন অংশৰ লগতে অসমতো আজি শিক্ষক দিৱস পালন কৰা হৈছে। শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৫ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। দেশত ১৯৬২ চনৰ ৫ ছেপ্তেম্বৰত প্ৰথম শিক্ষক দিৱস অনুষ্ঠিত হৈছিল আৰু ১৯৭২ চনৰে পৰা চৰকাৰীভাৱে এই দিৱস পালন কৰি অহা হৈছে।

শিক্ষক দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত এটা অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ ৮২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ২০২৪ বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা প্ৰদান কৰিব। এই অনুষ্ঠানতে টেঙাখাতৰ চিচিয়া বকুলনি ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক দীপেন খনিকৰে ৰাষ্ট্ৰপতিৰ হাতৰ পৰা কৃতি শিক্ষকৰ বঁটা গ্ৰহণ কৰিব। কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে কৈছে যে, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অসাধাৰণ অৱদানৰ উদযাপন আৰু স্কুলীয়া শিক্ষাৰ মান উন্নত কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ জীৱন সমৃদ্ধ কৰা একাংশ শিক্ষকক সন্মানিত কৰাই ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাৰ মূল উদ্দেশ্যে।

ইপিনে, ৰাজ্যৰ উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ উদ্যোগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰংঘৰ প্ৰেক্ষাগৃহত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত ৬৩ সংখ্যক শিক্ষক দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠান উদযাপন কৰা হৈছে। এই অনুষ্ঠানত চলিত বৰ্ষৰ কৃতি শিক্ষকৰ বঁটা লাভ কৰা ১৩গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ৰাজ্যিক বঁটা প্ৰদান কৰা হ'ব। মাধ্যমিক শাখাত ৮ গৰাকী শিক্ষকলৈ এই বঁটা আগবঢ়োৱা হৈছে। তেওঁলোক হৈছে ডিব্ৰুগড়ৰ বিউতি লেখাৰু শইকীয়া, যোৰহাটৰ মণি দত্ত, লখিমপুৰৰ কল্পনা গগৈ, যোৰহাটৰ প্ৰশান্ত কুমাৰ মহন্ত, তিনিচুকীয়াৰ মিনু ৰাণী বৰা, বিশ্বনাথৰ ৰিপুঞ্জয় বৰদলৈ, কামৰূপৰ হীৰেন কুমাৰ দাস আৰু শিৱসাগৰৰ হীৰেন কুমাৰ নেওগ। আনহাতে প্ৰাথমিক শাখাত পাঁচ গৰাকী শিক্ষক ক্ৰমে ধেমাজিৰ গকুল চুতীয়া, কাছাৰ অতনু চৌধুৰী, দৰঙৰ ৰিজু ৰেখা দেৱী, ডিব্ৰুগড়ৰ সংগীতা দেৱী আৰু শিৱসাগৰৰ লোহিত চেতীয়াক কৃতি শিক্ষকৰ বঁটা আগবঢ়োৱা হৈছে। ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকে কালি এই সম্বন্ধীয় নিৰ্দেশনা জাৰি কৰে। অনুষ্ঠানত নাকৰ মূল্যায়নত A++ আৰু A+ তথা বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা স্বতন্ত্ৰ মৰ্যাদা লাভ কৰা মহাবিদ্যালয়ৰ অধ্যক্ষসকলৰ লগতে পেটেণ্ট লাভ কৰা মহাবিদ্যালয়সমূহৰ শিক্ষকসকলকো সম্বৰ্দ্ধনা জ্ঞাপন কৰা হ'ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিক্ষক দিৱস উপলক্ষে দেশৰ শিক্ষকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে এই দিনটো হৈছে দেশৰ যুৱ চামক গঢ় দিয়াৰ ক্ষেত্ৰত শিক্ষকসকলৰ অৱদানক কৃতজ্ঞতা জ্ঞাপনৰ এটা উপলক্ষ্য। শ্ৰী মোদীয়ে দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত সৰ্বেপল্লী ৰাধাকৃষ্ণণক তেওঁৰ জয়ন্তীত শ্ৰদ্ধাৰে সোঁৱৰিছে। তেওঁৰ স্মৃতি সুঁৱৰি আজিৰ দিনটো সমগ্ৰ দেশতে শিক্ষক দিৱস হিচাপে পালন কৰা হয়।

০০০০০০০০০

নিৰ্বাচন আয়োগে আজি হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। ইয়াৰ লগে লগে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন অহা ১২ ছেপ্তেম্বৰ। ১৩ তাৰিখে মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইফালে, ১৬ ছেপ্তেম্বৰৰ ভিতৰত ইচ্ছুকসকলে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। ৯০ খন আসনবিশিষ্ট হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে ৫ অক্টোবৰত ভোটগ্ৰহণ কৰা হ'ব। নিৰ্বাচনৰ ভোটগণনা ৮ অক্টোবৰত সম্পন্ন হ'ব।

০০০০০০০০০

জম্মু আৰু কাশ্মীৰৰ বিধানসভাৰ তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ অধিসূচনা আজি জাৰি কৰা হৈছে। এই পৰ্যায়ৰ নিৰ্বাচনত ৪০ টা সমষ্টিত অহা ১ অক্টোবৰত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ বাবে ১২ ছেপ্তেম্বৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ১৩ ছেপ্তেম্বৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ১৭ ছেপ্তেম্বৰ হ'ব মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০০০০০

**সমাপ্ত**